আজিৰ দিনটোতে—

- ১৮৯৩ত নিউজিলেণ্ডৰ সকলো মহি[illegible]ক ভোটাধিকাৰ প্ৰদান
- ১৯৫৮ত গায়ক লাকী আলীৰ জন্ম
- ১৯৬০ত সিন্ধু পানী চুক্তি ভাৰত-পা[illegible]ৰ মাজত স্বাক্ষৰিত
- ১৯৬৫ত মহাকাশচাৰী সুনীতা উইলিয়ামছৰ জন্ম
- ১৯৭৮ত চলোমন দ্বীপপুঞ্জৰ ৰাষ্ট্ৰসংঘত যোগদান
- ১৯৭২ত অভিনেতা ৰবি শৰ্মাৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

৭৪ □ শুকুৰবাৰ □ ২ আহিন ১৯৪৭ শক □ ১৯ ছেপ্টেম্বৰ ২০২৫ চন □ VOL-15 □ NO-194 □ FRIDAY 19 SEPTEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

D.H.S.K. College A.D.C.C. Library Estd-1945 Date.......... Dibrugarh, Assam

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত চাৰিটা গুৰুত্বপূৰ্ণ অনুষ্ঠান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ উদ্যোগত আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত প্ৰশিক্ষণপ্ৰাপ্ত নাৰ্ছিং সংস্থা, নাৰ্ছিং সংস্থাৰ অসম ৰাজ্যিক অধ্যায়ৰ ৪১সংখ্যক দ্বিবাৰ্ষিক সন্মিলনৰ লগত সংগতি ৰাখি ১৬ ছেপ্টেম্বৰত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সমিতিৰ সহযোগত অনুষ্ঠিত ৰক্তদান শিবিৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰক্তদান সম্পৰ্কীয় বিভিন্ন বিষয়ত সজাগতামূলক বক্তৃতা প্ৰদান কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ ব্লাড বেংকৰ কৰ্মকৰ্তাসকলে। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ৰক্তদানৰ জৰিয়তে কিদৰে মানুহৰ জীৱন ৰক্ষা কৰিব পৰা যায় তাৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত ৰক্তদান শিবিৰৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰক্তদান সম্পৰ্কে বিশ্লেষণ কৰাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীকে তেওঁলোকৰ জীৱনকালত ৰক্তদানৰ দৰে মহান কৰ্মত আত্মনিয়োগ কৰি সমাজৰ সেৱা কৰিবলৈ আহ্বান জনায়। অধ্যক্ষগৰাকীয়ে নিজে ৰক্তদানৰ দৰে মহান কৰ্মত অংশগ্ৰহণ কৰি সকলোকে আদৰ্শ দেখুৱায়। মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীয়ে স্ব-ইচ্ছাৰে ৰক্তদান কৰি এই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সমিতিৰ সমন্বয়ক ক্ৰমে ড° লামখ'লাল ডুংগেল, অধ্যাপিকা অঞ্জুমণি ফুকন, ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰী, কানৈ মহাবিদ্যালয়ৰ ৰক্তদান গোট (ৰক্তপ্ৰৱাহ)ৰ সদস্যা ড° নিতুমণি শইকীয়া, অধ্যাপক ড° অপূৰ্ব দত্ত, ড° লখিমা দেউৰীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ কেইবাগৰাকী চিকিৎসক, কৰ্মকৰ্তা উপস্থিত থাকে। সমান্তৰালভাৱে কানৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে 'সমাজ বিজ্ঞান বিষয়ত গাণিতিক, পৰিসংখ্যা আৰু ইক'নমেট্ৰিক্স ব্যৱহাৰ' সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত হৈছে। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° দেৱ কুমাৰ চক্ৰৱৰ্তী। ভাষণ প্ৰসংগত ড° চক্ৰৱৰ্তীয়ে বৰ্তমান সময়ত গৱেষণাৰ ক্ষেত্ৰত গাণিতিক, পৰিসংখ্যা আৰু ইক'নমেট্ৰিক্সৰ ব্যৱহাৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰাৰ লগতে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলে এনেধৰণৰ কৰ্মশালাৰ জৰিয়তে নিজকে প্ৰতিষ্ঠিত কৰিব পৰাকৈ প্ৰস্তুত কৰি তুলিব বুলি মত প্ৰকাশ কৰে। উক্ত অনুষ্ঠানৰ প্ৰথম কাৰিকৰী সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° মানস প্ৰতিম বৰ্মন আৰু দ্বিতীয় কাৰিকৰী সত্ৰৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ৰণ্টু হাজৰিকা। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰদান কৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপিকা ড° সোণালী চক্ৰৱৰ্তী গোস্বামী, ড° জয়শ্ৰী কোঁৱৰ, কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, পৰীক্ষা নিয়ন্ত্ৰক ড° মৃদুল শৰ্মা, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন উপস্থিত থাকে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়কে প্ৰমুখ্য কৰি ডিব্ৰুগড় চহৰৰ কেইবাখনো মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বিশ্ব অজ'ন দিৱসৰ লগত সংগতি ৰাখি কানৈ মহাবিদ্যালয়ৰ ইক' ক্লাবৰ উদ্যোগত আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত কটন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° নৱজ্যোতি হাজৰিকাই 'অজ'ন লেয়াৰ ডিপ্লেচন' শীৰ্ষক বিষয়ত এক মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ মহলাৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বক্তৃতানুষ্ঠানটো উপভোগ কৰে। কানৈ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ উদ্যোগত আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত আজি বিশ্ব অজ'ন দিৱসৰ লগত সংগতি ৰাখি আন এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° বিনীতা পাঠকে 'অজ'ন লেয়াৰ ডিপ্লেচন, ইয়াৰ প্ৰভাৱ আৰু যুৱ সমাজৰ কৰণীয়' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

